# ভাৰতৰ উচ্চতম ন্যায়ালয়

আবেদনকাৰী:

কৰ্ণাটক চৰকাৰ আৰু অন্যান্য

বনাম

উত্তৰদাতা:

ডি.চি.নাঞ্জুদাইয়াহ আৰু অন্যান্য

ৰায়দানৰ তাৰিখ: ২৬/০৮/১৯৯৬

বিচাৰপীঠ

ৰামস্বামী, কে.

বিচাৰপীঠ

ৰামস্বামী, কে.

জি.বি. পট্টানায়ক (ন্যায়াধীশ)

আইন

শীৰ্ষ টোকা

বিচাৰ:

আদেশ

উত্তৰদাতাসকলক জনোৱাৰ পিছতো তেওঁলোক বা তেওঁলোকে নিজে বা তেওঁলোকৰ আইনী প্ৰতিনিধি আদালতৰ সন্মুখত হাজিৰ হোৱা নাই।

অনুমতি প্ৰদান কৰা হ'ল।

আপীলকাৰীৰ হৈ আমি আইনী প্ৰতিনিধিৰ ভাষ্য শুনিলো।

এই গোচৰত উত্থাপিত বিষয়টো এই আদালতৰ দ্বাৰা ৰায়দান কৰা *এন নৰসিমহাইয়া বনাম কৰ্ণাটক চৰকাৰ ((১৯৯৬) ৩ এছ চি চি ৮৮)* গোচৰৰ ৰায়দানৰ আৱৰ্তত বিচাৰ কৰিব পাৰি। নিৰ্বিবাদ তথ্যই ইংগিত দিয়ে যে ভূমি অধিগ্ৰহণ আইন, ১৮৯৪ৰ ধাৰা ৪(১)ৰ অধীনত এখন অধিসূচনা ১৯৮২ চনৰ ২৬ আগষ্টত প্ৰকাশ পাইছিল, তাৰ পিছত ধাৰা ৫-এৰ অধীনত তদন্ত কৰা হৈছিল। কিন্তু ভূমি অধিগ্ৰহণ বিষয়াৰ প্ৰতিবেদন পোৱাৰ আগতেই তিনিবছৰৰ ভিতৰতে ১৯৮৫ চনৰ জুন মাহৰ ২৪ তাৰিখে ধাৰা ৬ৰ অধীনত এক ঘোষণা প্ৰকাশ পায়। ধাৰা ৪(১)ৰ অধীনত জাৰি কৰা অধিসূচনা আৰু ভূমি অধিগ্ৰহণ আইনৰ ধাৰা ৬ৰ অধীনত কৰা ঘোষণাক প্ৰত্যাহবান জনাই ১৯৮৫ চনৰ ১০ ডিচেম্বৰত দুখন লেখ আবেদন দাখিল কৰা হয়। উচ্চ ন্যায়ালয়ে ১৯৮৫ চনৰ লেখ আবেদন সংখ্যা ১৯৩৪৮ আৰু ১৯৩৪৯ গ্ৰহণ কৰে আৰু ধাৰা ৪(১) ৰ অধীনৰ অধিসূচনা আৰু ধাৰা ৬ ৰ অধীনৰ ঘোষণা ১৯৯১ চনৰ ২৬ ফেব্ৰুৱাৰীত দিয়া বিবাদিত ৰায়দানৰ দ্বাৰা বাতিল কৰে।

সেয়েহে, এই বিশেষ অনুমতি আবেদনসমূহ দাখিল কৰা হৈছে।

দেখা গৈছে যে উচ্চ ন্যায়ালয়ে নিশ্চিত কৰা মতে, ধাৰা ৪(১)ৰ অধীনত অধিসূচনাৰ তাৰিখৰ পৰা তিনি বছৰৰ ভিতৰত ৬ নং ধাৰাত ঘোষণা কৰা হৈছে। কিন্তু উচ্চ ন্যায়ালয়ে লক্ষ্য কৰিছে যে ধাৰা ৫-এৰ অধীনত তদন্ত সঠিকভাৱে চলোৱা হোৱা নাছিল। ১৯৮৫ চনৰ ২৪ জুনত কৰা ঘোষণাটো বাতিল কৰা হৈছিল কাৰণ ইয়াৰ বাবে প্ৰয়োজনীয় অধিসূচনা আইনখনৰ ৬ নং ধাৰাত বিচাৰাধীন হৈ থকা লেখ আবেদনসমূহৰ সময় ধৰিও ১৯৮২ চনৰ ২৬ আগষ্টত কৰা ঘোষণাৰ পৰা তিনি বছৰৰ ভিতৰত প্ৰকাশ কৰা হোৱা নাই। সেয়েহে ধাৰা ৪(১)ৰ অধীনত অধিসূচনা বাতিল কৰা হয়। উচ্চ ন্যায়ালয়ৰ যুক্তিৰ সৈতে আমি একমত নহয়। উচ্চ ন্যায়ালয়ে ৬ নং ধাৰাত কৰা ঘোষণা তিনি বছৰৰ ভিতৰত প্ৰকাশ হোৱা বুলি স্বীকাৰ কৰিলেও ৫-এ ধাৰাত তদন্ত প্ৰক্ৰিয়াত দোষ বিচাৰি পোৱা গৈছে। যদিহে ইয়াক বাতিল কৰা হয়, তেন্তে ধাৰা ৫-এৰ অধীনত এক তদন্ত চলাব লাগিব।

তদন্ত চলোৱা আৰু তিনি বছৰৰ ভিতৰত ঘোষণা প্ৰকাশ কৰাৰ সময়সীমা উচ্চ ন্যায়ালয়ৰ আদেশ লাভ কৰাৰ তাৰিখৰ পৰা আৰম্ভ হ’ব, ধাৰা ৪(১)ৰ অধীনত মূল ঘোষণা প্ৰকাশ হোৱা তাৰিখৰ পৰা নহয়। এই সিদ্ধান্ত এই আদালতে নৰসিমহাইয়াৰ

ক্ষেত্ৰত (supra) স্থাপন কৰা নজিৰৰ সৈতে একে। একেটা অনুপাতৰ বাবেই আপীলসমূহ মঞ্জুৰ কৰিব লাগিব আৰু ঘোষণাটো বাতিল কৰিব লাগিব। গতিকে ঘোষণাটো বাতিল কৰা হ'ল। আপীলকাৰীক এই আদেশ লাভ কৰাৰ চাৰি মাহৰ ভিতৰত তদন্ত কৰাৰ অনুমতি দিয়া হ'ল আৰু তাৰ পিছত এমাহৰ ভিতৰত ঘোষণাপত্ৰ প্ৰকাশ কৰাৰ আদেশ দিয়া হ'ল।

আপীল মঞ্জুৰ কৰা হ'ল। কোনো ব্যয় নাথাকিব।

*অনুবাদঃ দিতিমণি গগৈ*

*স্পেচিয়েল অফিচাৰ*

*অনুবাদ শাখা*

*Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.*

*"স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষে ত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বুলি বিবেচিত হ'ব।"*